# মতামত

## কে চি দাস মহাবিদ্যালয়ত নিযুক্তি

'আমাৰ অসম' কাকতৰ যোৱা ৭ আগষ্ট সংখ্যাত প্ৰকাশিত কে চি দাস মহাবিদ্যালয় সম্পৰ্কীয় বাতৰিটো মোৰ দৃষ্টিগোচৰ হৈছে।

বাতৰিটোত প্ৰকাশ হোৱা কথাখিনি সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। প্ৰশান্ত শৰ্মাক ১ আগষ্টৰ পৰা কাৰ্যকৰী হোৱাকৈ হিচাপ-বিজ্ঞান বিভাগৰ প্ৰবক্তা হিচাপে নিযুক্তি দিয়া হয়। অৱশ্যে কামত যোগদানৰ সময়ত আন কোনো বিভাগত কাৰ্যনিৰ্বাহ কৰি থাকিলে তাৰ পৰা অব্যাহতি-পত্ৰ দাখিল কৰা চৰ্ত আৰোপ কৰা হয়। সেই মতে ১ আগষ্টত তেওঁ কামত যোগদান কৰিবলৈ আহে যদিও গুৱাহাটী বিশ্ববিদ্যালয়ৰ হিচাপ বিভাগত কাৰ্যনিৰ্বাহ কৰি থকাৰ পৰা অব্যাহতি-পত্ৰ দাখিল কৰা নাছিল। অব্যাহতি-পত্ৰৰ সলনি তেওঁ এবছৰৰ বাবে ছুটী লোৱা এখন চিঠিহে দাখিল কৰে।

সেয়ে নিযুক্তি-পত্ৰত উল্লেখ থকা নিয়ম-নীতি মতে তেওঁক অব্যাহতি-পত্ৰ দাখিল কৰিবলৈ কোৱা হয়। কিন্তু তাকে কৰিবলৈ অক্ষম হোৱাত তেওঁৰ নিযুক্তি-পত্ৰ গ্ৰহণ কৰা নহ'ল। কাকতত প্ৰকাশ পোৱাৰ দৰে তেওঁক কোনেও দুৰ্ব্যৱহাৰ কৰা নাই।

**সুৰজিত মিত্ৰ**
সম্পাদক, পৰিচালনা সমিতি
কে চি দাস বাণিজ্য মহাবিদ্যালয়,
গুৱাহাটী

আমাৰ অসম 9th AUG' 1997
"সম্পাদকৰ চিঠি শিতান"